**2 0 1 6**

ASSAMESE

( Major )

Paper : 1.1

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। চমু উত্তৰ লিখা : ১×১০=১০

(ক) লোকগীত কাক বোলে?

(খ) 'সাধুকথা' শব্দটো কি শব্দৰ পৰা ওলাইছে?

(গ) 'অপ্রমাদী কবি' বুলি মাধৱ কন্দলীক কোনে আখ্যা দিছিল?

(ঘ) শঙ্কৰদেৱ ৰচিত এখন অঙ্কীয়া নাটৰ নাম লিখা।

(ঙ) 'নামঘোষা'ক আন কি নামেৰে জনা যায়?

(চ) 'পাঁচালী' শব্দটো ক'ৰ পৰা ওলাইছে?

(ছ) 'বব্রুবাহনৰ যুদ্ধ' কাব্যখনৰ ৰচক কোন?

(জ) প্রথম অসমীয়া লিপিৰ নিদর্শন কি?

(ঝ) প্ৰথম অসমীয়া লিপিখনৰ নাম কি ?

(ঞ) 'ডুবিৰ তাম্ৰশাসন' কোন ৰজাৰ দিনৰ আছিল ?

২। এটা বা দুটা শাৰীত চমু উত্তৰ লিখা : ২×৫=১০

(ক) সাঁথৰ বুলিলে কি বুজা ?

(খ) মাধৱ কন্দলীৰ পৃষ্ঠপোষক কোন আছিল ? তেওঁ ক'ৰ ৰজা আছিল ?

(গ) অনুষ্ঠানমূলক লোকগীত কাক বোলে ?

(ঘ) মাধৱদেৱৰ বিৰচিত দুখন ঝুমুৰাৰ নাম লিখা।

(ঙ) মধ্যযুগৰ অসমীয়া লিপিৰ ৰূপকেইটা কি কি ?

৩। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৪=২০

(ক) অসমীয়া লোকগীতৰ বৈশিষ্ট্যসমূহ কি কি, উল্লেখ কৰা।

(খ) ফকৰা-যোজনা, প্ৰৱচন সম্পৰ্কে এটা টোকা লিখা।

(গ) বৰগীত সম্পৰ্কে চমুকৈ লিখা।

(ঘ) পাঁচালী সাহিত্য কাক বোলে, চমুকৈ লিখা।

(ঙ) 'কীৰ্তন'ক কিয় শঙ্কৰদেৱৰ সাহিত্যিক জীৱনৰ কীৰ্তিস্তম্ভ বুলি কোৱা হয় ?

(চ) গড়গঞা লিপি সম্পৰ্কে চমুকৈ লিখা।

(ছ) লিপিচৰ্চাৰ উপাদান বা সমলসমূহ কি কি ?





৪। তলৰ যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা : ১০×৪=৪০

(ক) লোকসাহিত্য কাক বোলে ? অসমীয়া লোকসাহিত্যক কি কি ভাগত ভগাব পাৰি ? প্ৰতিটো ভাগৰে চমু আলোচনা আগবঢ়োৱা।

(খ) বিহুগীতত অসমীয়া সমাজ-জীৱনৰ প্ৰতিচ্ছবি কিদৰে প্ৰকাশ পাইছে, আলোচনা কৰা।

(গ) বাৰমাহী গীত কাক বোলে ? যি কোনো এটা বাৰমাহী গীতৰ বিষয়বস্তু নিজৰ ভাষাত লিখা।

(ঘ) হৰিবৰ বিপ্ৰৰ সাহিত্যকৃতি সম্পৰ্কে লিখা।

(ঙ) 'প্ৰাক্-শঙ্কৰী যুগৰ শ্ৰেষ্ঠ কবি মাধৱ কন্দলী'—মাধৱ কন্দলীৰ সাহিত্য-প্ৰতিভা আলোচনা কৰা।

(চ) শঙ্কৰদেৱৰ অঙ্কীয়া নাটৰ বিষয়ে বহলাই লিখা।

(ছ) অসমীয়া লিপিৰ উদ্ভৱ আৰু ক্ৰমবিকাশ সম্পৰ্কে আলোচনা আগবঢ়োৱা।

(জ) 'ব্ৰাহ্মী-লিপি' আৰু 'কানাই বৰশী বোৱা শিলালিপি' সম্পৰ্কে চমু টোকা লিখা।

★★★